পাঞ্জাবৰ প্ৰসিদ্ধ কবি-সাহিত্যিক-সাংবাদিক নিৰুপমা দত্ত সভাৰ অনুষ্ঠানত ভাগ লৈ অভিভূত

# বেজবৰুৱাৰ ‘পাটমুগী’ আৰু অন্যান্য গল্পৰ

## ইংৰাজী অনুবাদ সংকলন উন্মোচন



সভাৰ সভাপতি আৰু অন্যান্য অতিথিসকলৰ দ্বাৰা ‘পাটমুগী এণ্ড আদাৰ ষ্টৰীজ’ আৰু আন চাৰিখন গ্ৰন্থ উন্মোচন

‘বিশ্বৰ অন্যতম বিশাল সাহিত্য-সংগঠন অসম সাহিত্য সভাৰ কাৰ্যক্ৰমত আজি অংশগ্ৰহণ কৰি মই গৌৰৱান্বিত। বিগত সময়ত আমি সাহিত্য সভাৰ কথা শুনিছিলোঁ। আজি মই নিজে সভাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ পাই মই নিজে ধন্য হৈছোঁ।’ যোৱা ২৬ ফেব্ৰুৱাৰি তাৰিখে সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাকক্ষত আয়োজিত এক আড়ম্বপূৰ্ণ অনুষ্ঠানত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ‘পাটমুগী’ আৰু তেওঁৰ ওঠৰটা প্ৰখ্যাত গল্পৰ ইংৰাজী অনুবাদ সংকলন ‘পাটমুগী এণ্ড আদাৰ ষ্টৰীজ’ উন্মোচন কৰি দিয়া ভাষণত ভাৰতীয় সাহিত্যৰ প্ৰখ্যাত কবি-সাংবাদিক-লেখিকা পাঞ্জাবৰ নিৰুপমা দত্তই এইদৰে কয়। অইল ইণ্ডিয়াৰ অৰ্থ সাহাৰ্যৰে অসম সাহিত্য সভাই অনুবাদ প্ৰকল্পৰ যোগেদি প্ৰকাশ কৰা, মিত্ৰা ফুকন আৰু গায়ত্ৰী ভট্টাচাৰ্যই অনুবাদ কৰা এই গ্ৰন্থখন উন্মোচনৰ উপলক্ষে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত আজিৰ অনুষ্ঠানত নিৰুপমা দত্তই লগতে কয়—‘লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সাহিত্যৰ সৃষ্টিৰাজি সকলো পাঠকৰ ওচৰলৈ লৈ যোৱাৰ বাবে সাহিত্য সভাই গ্ৰহণ কৰা এই পদক্ষেপ নিতান্তই প্ৰশংসনীয়। এনে কৰ্মৰ লগত জড়িত হ’বলৈ পাই আমাৰ খুব ভাল লাগিছে।’

অনুষ্ঠানত সভাৰ অনুবাদ প্ৰকল্পৰ যোগেদি প্ৰকাশিত ‘দেশী-বিদেশী গল্প সম্ভাৰ’ (সম্পাদনা ঃ ডাঃ অপূৰ্ব কুমাৰ শইকীয়া) উন্মোচন কৰি সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট কথা সাহিত্যিক ড° ধ্ৰুৱজ্যোতি বৰাই সভাৰ অনুবাদ প্ৰকল্পৰ জড়িয়তে নিৰৱচ্ছিন্নভাৱে গ্ৰন্থসমূহ প্ৰকাশ কৰি অহাত সন্তোষ প্ৰকাশ কৰে আৰু ‘দেশী-বিদেশী গল্প সম্ভাৰ’ গ্ৰন্থখনত সন্নিৱিষ্ট বিদেশৰ গল্পসমূহৰ লগত অসমৰ গল্পসমূহৰ তুলনামূলক অধ্যয়ন কৰিবৰ বাবে সুন্দৰ সুবিধা ওলাইছে বুলি উল্লেখ কৰে। আনহাতে অনুষ্ঠানত অনুভৱ তুলসীৰ সম্পাদনাত প্ৰকাশ পোৱা ‘দুই আমেৰিকাৰ কবিতা’ উন্মোচন কৰে বিশিষ্ট চিন্তাবিদ-শিক্ষাবিদ শান্তিকাম হাজৰিকাই।

একেটা অনুষ্ঠানত অসম সাহিত্য সভাই প্ৰকাশন উপ-সমিতিৰ সহযোগত নতুন কৈ গ্ৰহণ কৰা আঁচনি ‘অসম-প্ৰজ্ঞা’ শৃংখলাৰ শান্তনু কৌশিক বৰুৱাৰ ‘অসমৰ কীৰ্তিচিহ্ন’ নামৰ প্ৰথমখন গ্ৰন্থ উন্মোচন কৰি ড° কুলধৰ শইকীয়াই কয়, ‘অসম সাহিত্য সভাই অসমৰ বিভিন্ন দিশ পাঠক সমাজলৈ লৈ অহাৰ উদ্দেশ্যে ‘অসম-প্ৰজ্ঞা’ নামেৰে এক অভিলাষী প্ৰকল্প হাতত লৈছে। এই প্ৰকল্পৰ অধীনত অসমৰ বিভিন্ন সমল-সম্পদক বিষয়বস্তু হিচাপে লৈ এলানি গ্ৰন্থ প্ৰকাশৰ বাবে লোৱা পদক্ষেপ হিচাপে অসম সাহিত্য সভাই এইবাৰ কেইখনমান গ্ৰন্থ প্ৰকাশৰ বাবে প্ৰস্তুতি চলাইছে।’

সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই আদৰণি ভাষণ আৰু প্ৰকাশন আহ্বায়ক দেৱজিৎ বৰাই শলাগ জ্ঞাপন কৰা সভাখনতে অসম নেপালী সাহিত্য সভাৰ সভাপতি দুৰ্গা খাটিৱড়াই ড° জয়া কলিতাৰ ‘অসমৰ নেপালী জনগোষ্ঠী ঃ সমাজ আৰু সংস্কৃতি’ নামৰ গ্ৰন্থখনো আজিৰ অনুষ্ঠানতে উন্মোচন কৰে। আজিৰ অনুষ্ঠানত অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য মহাপ্ৰবন্ধক (পাইপলাইন সেৱা) সন্দীপ গোস্বামী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ গংগাপদ দেৱচৌধুৰী, অধ্যাপিকা ড° নমিতা ডেকা, অসম সাহিত্য সভাৰ অনুবাদ প্ৰকল্পৰ সঞ্চালক বিপুল দেউৰী উপস্থিত থাকি বক্তব্য আগ বঢ়ায়।

০০০০